# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১
ফোন : ০১১–২৩০০৫৭০০, ফেক্স : ০১১–২৩০০৫৭৮৭

১৭ জানুৱাৰী ২০১৩

ডিজেলৰ দাম নিয়ন্ত্ৰণমুক্ত কৰাৰ সন্দৰ্ভত প্ৰাক্তন বিজেপি সভাপতি ৰাজনাথ সিঙৰ বিবৃতি

ডিজেলৰ দাম আংশিক নিয়ন্ত্ৰণমুক্ত কৰাৰ যি নীতিৰ কথা ঘোষণা কৰিছে সেয়া সাধাৰণ মানুহৰ প্ৰতি তেওঁলোকৰ সহানুভূতিহীন মনোভাৱৰ আন এক জ্বলন্ত উদাহৰণ। এই নীতিৰ ফলত তেল কোম্পানীসমূহে আগন্তুক মাহসমূহত ডিজেললৰ দাম ৯ টকা ৬০ পইছা পৰ্যন্ত বৃদ্ধি কৰাৰ অনুমতি পালে। ইয়াৰ ফলত মুদ্ৰাস্ফীতি আৰু বৃদ্ধি পাব।

বুজা গৈছে ইউ পি এ চৰকাৰৰ তেলৰ দাম স্থিৰ কৰাৰ কোনো নীতি নাই। আন্তৰ্জাতিক বজাৰত তেলৰ দাম উঠানমা কৰিলে তেওঁলোক হঠাতে প্ৰতিক্ৰিয়া দেখুৱায়।

জনসাধাৰণৰ বাবে বন্ধুত্বপূৰ্ণ ভাৱে তেলৰ দাম নিৰ্দ্ধাৰণ কৰা এক নীতি দেশৰ প্ৰয়োজন, যি কেতিয়াও মুদ্ৰাস্ফীতি বৃদ্ধি নকৰে আৰু কৃষকসহ সাধাৰণ মানুহক সকাহ দিব। বিশেষকৈ সেই কৃষকসকলক যি কৃষিৰ কামত ডিজেল ব্যৱহাৰ কৰে। প্ৰস্তাৱিত প্ৰায় ১০ টকা দাম বৃদ্ধি হোৱা মানে কৃষকসকলৰ বাবে এক বৃহত বোজা।

চৰকাৰে বৰ্তমানৰ তেলৰ দাম স্থিৰ কৰা নীতি সলনি কৰিব লাগিব আৰু দাম আংশিক নিয়ন্ত্ৰণহীন কৰাৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব লাগিব।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত